RNI Regn. No- AssAss/2011/38477

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

যোৰহাট সংস্কৰণ মুঠ পৃষ্ঠা ১২

চতুৰ্দশ বছৰ সংখ্যা ২১৭ দেওবাৰ ৭ আহাৰ ১৯৪৭ শক ২২ জুন ২০২৫ চন ASOMIYA KHABAR JORHAT SUNDAY 22 JUNE 2025 দাম: ৭.০০ টকা

## গৌৰৱৰ দৰে ... অসমীয়া ... গো-মাংস স্পৰ্শ কৰি...

আমাৰ খবৰ, ওদালগুৰি, ২১ জুন ঃ গৌৰৱ গগৈৰ দৰে তথাকথিত ...বেহে গো-মাংস স্পৰ্শ কৰিব পাৰে, আমি নোৱাৰো। গৌৰৱ গগৈ বৰ্তমান হিন্দু ...নে নহয়, মই নাজানো। আমাৰ দৰে বিজেপি-আৰএছএছৰ কোনো ব্যক্তিয়ে গো-মাংস স্পৰ্শ কৰাটো *শেষাংশ ৬ পৃষ্ঠাত*

বিজেপি-...
ব্যক্তিয়ে ...
দূৰৰ ক...

### জ্যোতি প্ৰসাদৰ জন্ম দিৱসত গীত-মাত পৰিৱেশন

# ...খল-মাখল ডিব্ৰুগড় সাহিত্য সভাৰ ৰূপকোঁৱৰ প্ৰেক্ষাগৃহ

...ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২১ জুন ঃ ডিব্ৰুগড় ...ত্য সভাৰ ভৱনত জ্যোতিপ্ৰসাদ ...ৱালাৰ জন্ম দিন উপলক্ষে গীতে-মাতে ...ত পৰিৱেশ। ডিব্ৰুগড় সাহিত্য সভা ...গত আৰু মুৰ্চনা সংগীত বিদ্যালয়ৰ ...গত অনুষ্ঠিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ ...ৱালাৰ জন্ম দিৱসৰ উপলক্ষে বন্তি ...ন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইয়ে। মাল্যপৰ্ণ কৰে মুৰ্চনা সংগীত বিদ্যালয়ৰ অধ্যক্ষ ভুৱন গগৈ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈয়ে। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে উদ্দেশ্য ব্যাখ্যা কৰা মনোজ্ঞ অনুষ্ঠান উদ্বোধন কৰে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আবৃত্তিকাৰ নীলাভ নয়ন বৰদলৈয়ে আঁতধৰা অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সদস্যসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশন কৰা লগতে আৰোহি বায়ন, আইনা এনি শইকীয়া, সিদ্ধাৰ্থ শংকৰ ৰায়ে নৃত্য পৰিৱেশন কৰা লগতে অনেষা চেতিয়া, ৰত্ন গগৈ, এনাক্ষী দাস, হিমাগ্নী গগৈ, অভিপ্ন বড়ী, অনুপ শৰ্মা, পূজা প্লাবিতা দত্ত, ভাৱনা গগৈয়ে জ্যোতি সংগীত পৰিৱেশন কৰি পৰিৱেশ মুখৰিত কৰি তোলে। আনহাতে, ৰুবী গগৈ সন্দিকৈ পৰিচালনাত নৃত্যাংগন কলা কেন্দ্ৰৰ ছাত্ৰীসকলে দলীয় নৃত্য, ভুৱন গগৈ পৰিচালনাৰে সমবেত সংগীত, মেগুলিন বাদক মানৱ গগৈয়ে মেগুলিনত জ্যোতি সংগীত পৰিৱেশন কৰে। উল্লেখ্য যে এই অনুষ্ঠানতে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাৰ পৰা অসম সাহিত্য সভাৰ আজীৱন সদস্যৰ পদ গ্ৰহণ কৰা ড° চুলতানা হাজৰিকা, উপন্যাসিকা অৰ্পণা ফুকন দাস, দিপীকা গগৈ আৰু কবি বিতুমণি ফুকনক স্বীকৃতি পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিকৰ সম্পাদক ভূৱন মোহন গোস্বামী, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱা, উদয়ন্তী হাজৰিকা দত্ত, ড° ৰুণুমা শৰ্মা, বিউটী ...ৰু শইকীয়া, দয়াপ্ৰীতি গগৈ, অনিল পোদ্দাৰ, মানকটা সাহিত্য সভাৰ প্ৰশান্ত শইকীয়া, পৰমানন্দ নাথ, জন-সাংস্কৃতিক মঞ্চৰ ডিব্ৰুগড় সম্পাদক লক্ষ্যধৰ কলিতা, মৌচুমী বৰ্মণ, বনলতা হাজৰিকা, লুকুমণি হাজৰিকা, মল্লিকা দাস, ইভা গন্ধিয়া ফুকন, কমী ফুকন, গিৰিমণি গগৈ, ৰশ্মিৰেখা গগৈ আদি উপস্থিত থাকে।